# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date : 04-04-2026** **Time : 1715 Hrs**

***Assamese Evening Bulletin***

----------------------------

***Headlines***
***0000***

১। সমাগত বিধানসভা নিৰ্বাচনৰ বাবে ৰাজ্যত শাসক-বিৰোধী পক্ষৰ প্ৰচাৰ অভিযান তীব্ৰ। বিভিন্ন ৰাজনৈতিক দলৰ তাৰকা প্ৰচাৰকৰ প্ৰচাৰ সভাত অংশগ্ৰহণ।

২। দেশত পেট্ৰল, ডিজেল আৰু ৰন্ধন গেছৰ মজুত সুনিশ্চিত কৰাৰ বাবে চৰকাৰৰ প্ৰচেষ্টা গ্ৰহণ।

৩। নিৰাপত্তা বাহিনীৰ নিৰ্বাচন কেন্দ্ৰিক ব্যস্ততাৰ সুযোগ লৈ বাংলাদেশী অনুপ্ৰৱেশকাৰীয়ে অসমত প্ৰৱেশৰ বাবে চেষ্টা চলাইছে বুলি কেন্দ্ৰীয় চোৰাংচোৱা সংস্থাৰ সতৰ্কবাণী।

**আৰু**

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজিৰ প্ৰথমখন খেলত দেলহি কেপিটেলছ আৰু মুম্বাই ইণ্ডিয়ানছ মুখামুখি।

ooooo

সমাগত বিধানসভা নিৰ্বাচনৰ বাবে ৰাজ্যত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ অভিযান তীব্ৰ হৈ উঠিছে। প্ৰচাৰ অভিযানৰ সামৰণি পৰিবলৈ মাজত মাত্ৰ তিনিটা দিন বাকী থকা অৱস্থাত শাসক-বিৰোধী উভয় পক্ষই ভোটদাতাৰ মন জয়ৰ বাবে দিনে-নিশাই আপ্ৰাণ চেষ্টা চলাইছে।

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে আজি কাছাৰ জিলাৰ লক্ষীপুৰ বিধানসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী কৌশিক ৰায়ৰ হৈ নিৰ্বাচনী প্ৰচাৰ সভাত ভাগ লয়। লাবক খেলপথাৰত আয়োজিত এই জনসভাত ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াইও অংশগ্ৰহণ কৰে। ৰাষ্ট্ৰীয় সভাপতিগৰাকীয়ে আজি শ্ৰীভূমিৰ ৰামকৃষ্ণ নগৰতো দলটোৰ হৈ প্ৰচাৰ চলায়।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি চৰাইদেউ জিলাৰ মাহমৰা আৰু সোণাৰিত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। তেওঁ মাহমৰাৰ জাজলী পাঁচআলি ৰাজহুৱা খেলপথাৰত বিজেপি-মিত্ৰজোঁটৰ প্ৰাৰ্থী সুৰুয দিহিঙীয়াৰ সমৰ্থনত আয়োজিত এখন জনসভাত অংশগ্ৰহণ কৰে। ইয়াৰ পাছতে মুখ্যমন্ত্ৰী ড০ শৰ্মাই সোণাৰি সমষ্টিৰ বিজেপি প্ৰাৰ্থী ধৰ্মেশ্বৰ কোঁৱৰৰ হৈ আন এখন নিৰ্বাচনী সভাতো ভাগ লয়। তেওঁ আজি নাজিৰা আৰু মৰিয়ণি সমষ্টিতো দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। নিজৰ ভাষণত মুখ্যমন্ত্ৰী শৰ্মাই ৰাজ্যত পুনৰ বিজেপি-মিত্ৰজোঁটৰ চৰকাৰ হ'ব বুলি আশা প্ৰকাশ কৰে।

বাইট (চি এম)

অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা পেমা খান্দুৱে আজি নাওবৈচা, ৰঙানদী আৰু লক্ষীমপুৰ সমষ্টিত প্ৰচাৰ চলায়। ভাৰতীয় জনতা যুৱ মৰ্চাৰ ৰাষ্ট্ৰীয় সভাপতি তেজস্বী সূৰ্যই দিছপুৰ সমষ্টিত প্ৰচাৰ চলায়।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি দুলীয়াজান সমষ্টিত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰত ভাগ লয়। ইফালে, নলবাৰীৰ বিজেপিৰ প্ৰাৰ্থী জয়ন্ত মল্ল বৰুৱাই লাওতোলাত আয়োজিত এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে।

অসম গণ পৰিষদ দলৰ সভাপতি অতুল বৰাই আজি গোৱালপাৰা পূব সমষ্টিৰ দলীয় প্ৰাৰ্থী আব্দুৰ ৰহিম জিব্ৰানৰ হৈ প্ৰচাৰ চলায়। প্ৰচাৰ কালত শ্ৰীবৰাই কংগ্ৰেছ দলক তীব্ৰ সমালোচনা কৰে আৰু উন্নয়নৰ স্বাৰ্থত অগপৰ প্ৰাৰ্থীগৰাকীক জয়ী কৰাবলৈ আহ্বান জনায়।

মুখ্য বিৰোধী দল কংগ্ৰেছকে ধৰি অন্যান্য দলৰ প্ৰাৰ্থীসকলেও সমষ্টিয়ে সমষ্টিয়ে গৈ প্ৰচাৰ অব্যাহত ৰাখিছে। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে গৌৰীপুৰ, বিলাসীপাৰা আৰু পৰ্বতঝোৰাত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। তেওঁ নলবাৰী বিধানসভা সমষ্টিত মিত্ৰদলৰ প্ৰাৰ্থী অশোক শৰ্মাৰ হৈ ৰোড শ্ব'ত অংশগ্ৰহণ কৰে। নিজৰ ভাষণত প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে সমাগত বিধানসভা নিৰ্বাচনত কংগ্ৰেছ-মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলক ভোট দিবলৈ ৰাইজৰ প্ৰতি আহ্বান জনায়।

বাইট (গৌৰৱ গগৈ)

প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক মেঘনাথ চেত্ৰীয়ে ন-দুৱাৰ, বিশ্বনাথ, কলিয়াবৰ আৰু ঢকুৱাখনাত প্ৰচাৰ চলায়।

০০০০০০০

নিৰ্বাচন আয়োগে অসম, কেৰলম্, পুডুচেৰী, তামিলনাডু আৰু পশ্চিমবংগৰ সমাগত বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণৰ দিনা ভোটদাতাসকলক বেতনসহ ছুটী মঞ্জুৰ কৰিবলৈ সকলো ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চললৈ নিৰ্দেশ দিছে। আয়োগে প্ৰকাশ কৰা মতে যিকোনো ব্যৱসায়, বাণিজ্য, ঔদ্যোগিক প্ৰতিষ্ঠান অথবা অন্য প্ৰতিষ্ঠানত কৰ্মৰত লোকসকলক ভোটগ্ৰহণৰ দিনা বেতনসহ ছুটী মঞ্জুৰ কৰিব লাগিব। নিৰ্দেশ অনুসৰি নিৰ্বাচনৰ দিনা ভোটদানৰ বাবে যোৱা কোনো কৰ্মচাৰীৰ বেতন কৰ্তন কৰিব নোৱাৰিব আৰু মালিক পক্ষই এই নিৰ্দেশ উলংঘা কৰিলে জৰিমনা ভৰিব লাগিব। আয়োগে লগতে দিন হাজিৰা কৰা আৰু অংশকালীন কৰ্মচাৰীসকলেও ভোটগ্ৰহণৰ দিনা বেতনসহ ছুটীৰ সুবিধা লাভ কৰিব বুলি প্ৰকাশ কৰে। সকলো ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলত এই নিৰ্দেশনা বলবৎ কৰাৰ বাবে কঠোৰ নিৰ্দেশ দিয়া হৈছে আৰু সকলো ভোটদাতাই যাতে ভোটদানৰ অধিকাৰ সাব্যস্ত কৰিব পাৰে সেয়া সুনিশ্চিত কৰিবলৈ কোৱা হৈছে।

০০০০০০০

দেশৰ সকলো ঠাইতে পেট্ৰল, ডিজেল আৰু ৰন্ধন গেছৰ পৰ্যাপ্ত উপলভ্যতা সুনিশ্চিত কৰাৰ বাবে চৰকাৰে সৰ্বতোপ্ৰকাৰে চেষ্টা চলাই আছে বুলি পেট্ৰলিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। চৰকাৰে ভীতিগ্ৰস্ত হৈ অনাহকতে ৰন্ধন গেছৰ চিলিণ্ডাৰ ক্ৰয় আৰু বুকিং নকৰিবলৈ জনসাধাৰণক পৰামৰ্শ দিছে। মন্ত্ৰালয়ে লগতে পেট্ৰলিয়ামজাত সামগ্ৰী আৰু ৰন্ধন গেছৰ অবিৰত উপলভ্যতা সুনিশ্চিত কৰাৰ বাবে সক্ৰিয় ব্যৱস্থা গ্ৰহণ কৰা বুলি জানিবলৈ দিছে। এনে ব্যৱস্থাৰ অংশ হিচাপে ৰন্ধন গেছ বিতৰকসকলৰ ওচৰত ৫ কিলোগ্ৰাম ওজনৰ চিলিণ্ডাৰ উপলব্ধ কৰোৱা হৈছে আৰু বৈধ পৰিচয়পত্ৰ দেখুৱাই এনে চিলিণ্ডাৰ ক্ৰয় কৰিব পৰা যাব বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। যোৱা মাহৰ ২৩ তাৰিখৰ পৰা ৫ কিলোগ্ৰাম ওজনৰ প্ৰায় ৫ লাখ ৭০ হাজাৰ চিলিণ্ডাৰ বিক্ৰী কৰা হৈছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে ৰন্ধন গেছৰ চিলিণ্ডাৰ বিক্ৰী ৯৫ শতাংশলৈ বৃদ্ধি

পাইছে আৰু কালি প্ৰায় ৫১ লাখ চিলিণ্ডাৰ প্ৰদান কৰা হৈছে। মন্ত্ৰালয়ে লগতে জনসাধাৰণক পি এন জি, ইনডাকচন, আৰু ইলেকট্ৰিক কুক টপছৰ দৰে বিকল্প ইন্ধন ব্যৱহাৰ কৰিবলৈ উদগণি দিছে।

০০০০০০০

কেন্দ্ৰীয় চোৰাংচোৰা সংস্থাৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি, নিৰ্বাচন প্ৰক্ৰিয়া চলি থকাৰ সময়তে অসমত ব্যপক হাৰত বাংলাদেশী অনুপ্ৰৱেশকাৰীয়ে প্ৰৱেশৰ চেষ্টা চলাইছে। অসমৰ লগতে পশ্চিমবংগতো অনুপ্ৰৱেশকাৰীয়ে প্ৰৱেশৰ চেষ্টা কৰা বুলি সূত্ৰটোৱে প্ৰকাশ কৰিছে। চোৰাংচোৰা সংস্থাই এই সন্দৰ্ভত অসম আৰু পশ্চিবংগৰ আৰক্ষীক সতৰ্ক কৰি দিছে। নিৰ্বাচনৰ পূৰ্বে দুয়োখন ৰাজ্যতে পৰিস্থিতি অশান্ত কৰি তোলাৰ উদ্দ্যেশ্যেই অনুপ্ৰৱেশৰ চেষ্টা চলি আছে বুলি চোৰাংচোৰা সংস্থাই সকিয়াই দিছে।

০০০০০০০

ৰাজ্যৰ কেইবাখনো জিলাত নিৰ্বাচনী দায়িত্বত নিয়োজিত বিষয়া কৰ্মচাৰীৰ বাবে আজি ডাক বেলটযোগে ভোটদান আৰম্ভ হৈছে। কামৰূপ জিলাৰ মিৰ্জাৰ দক্ষিণ কামৰূপ মহাবিদ্যালয়ত মুঠ ৪ হাজাৰ ২০০ গৰাকী বিষয়া-কৰ্মচাৰী আৰক্ষীয়ে ডাক বেলটযোগে ভোটদানৰ অধিকাৰ সাব্যস্ত কৰাৰ কৰিব। এই বিষয়া কৰ্মচাৰীসকল কমলপুৰ, বকো-ছয়গাওঁ, হাজো-শুৱালকুছি, ৰঙিয়া, চমৰীয়া, আৰু পলাশবাৰী বিধানসভা সমষ্টিৰ নিৰ্বাচনী কামত নিয়োজিত। ভোটদান ৮ এপ্ৰিললৈ চলিব।

দক্ষিণ শালমাৰা মানকাচৰ জিলাত কৰ্মৰত অন্য জিলাৰ চৰকাৰী কৰ্মচাৰীসকলৰ ভোটদান প্ৰক্ৰিয়াও আৰম্ভ হৈছে। জিলাখনত চাকৰী সূত্ৰে কৰ্মৰত মুঠ ৭৫৬ গৰাকী কৰ্মচাৰীক পোলিং বিষয়া হিচাপে নিযুক্তি দিয়া হৈছে। এই বিষয়াসকলে হাটশিঙিমাৰী মহাবিদ্যালয়ত ৩ দিনৰ ভিতৰত ভোটদান সম্পন্ন কৰিব পাৰিব।

চিৰাং জিলাত ভোটগ্ৰহণ প্ৰক্ৰিয়াৰ সৈতে জড়িত পলিং বিষয়া আৰু আৰক্ষীৰ প'ষ্টেল ভোটদানৰ ক্ষেত্ৰত জিলা নিৰ্বাচনী বিভাগে পূৰ্বতে জাৰি কৰা নিৰ্দেশনাৰ আংশিক সংশোধনী ঘটাইছে। সেই অনুসৰি আৰক্ষীৰ বাবে ছিডলী-চিৰাং আৰু বিজনী বিধানসভা সমষ্টিৰ ভোটাৰৰ বাবে আজি আৰু কাইলৈ পুৱা ৯ বজাৰ পৰা বিয়লি ৫ বজালৈ পুলিচ ৰিজাৰ্ভত ডাক বেলট যোগে ভোটদান কৰিব পাৰিব। বিধানসভা নিৰ্বাচনৰ বাবে নিয়োজিত সকলো বিষয়া, কৰ্মচাৰীক সংশোধিত ব্যৱস্থা অনুসৰি ভোটদানৰ বাবে উপস্থিত থাকিবলৈ নিৰ্দেশ দিয়া হৈছে। একেদৰে ছিডলী-চিৰাং বিধানসভা সমষ্টিৰ নিৰ্বাচনী কৰ্ত্যবত জড়িত বিষয়াসকলে কাইলৈ আৰু পৰহিলৈ ইউ এন ব্ৰহ্ম চিনিয়ৰ ছেকেণ্ডেৰী স্কুলত পুৱা ১০ বজাৰ পৰা ভোটদান কৰিব পাৰিব। বিজনী বিধানসভা সমষ্টিৰ নিৰ্বাচনী কৰ্ত্যবত জড়িত বিষয়াসকলেও কাইলৈ আৰু পৰহিলৈ বিজনী মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত পুৱা ১০ বজাৰ পৰা ভোটদান কৰিব পাৰিব।

০০০০০০০০

ৰাজ্যত অহা ৯ এপ্ৰিলত হ'বলগীয়া বিধানসভা নিৰ্বাচনত ৩১ হাজাৰ ৪৮৬টা ভোটগ্ৰহণ কেন্দ্ৰত মুঠ ২ কোটি ৫০ লাখ ২১ হাজাৰৰো অধিক ভোটদাতাই ভোটাধিকাৰ সাব্যস্ত কৰিব। নিৰ্বাচন আয়োগে এইবাৰ ভোটগ্ৰহণৰ বাবে ব্যৱহাৰ কৰিবলগীয়া ৩৯ হাজাৰ ই ভি এম মেচিনৰ পৰীক্ষা সম্পন্ন কৰিছে। আয়োগে ভোটগ্ৰহণ কেন্দ্ৰসমূহত ই ভি এম বিকল হোৱা আৰু কাৰিকৰী ব্যৱস্থা বিজুতিৰ জোৰা মৰাৰ বাবে ভোটগ্ৰহণ কেন্দ্ৰৰ তুলনাত ৭ হাজাৰ ৫১৪ টা অধিক ই ভি এম সাজু কৰিছে। ই ভি এমৰ লগতে ভি ভি পেটৰ চূড়ান্ত পৰ্যায়ৰ পৰীক্ষা সম্পূৰ্ণ কৰা হৈছে।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত মুম্বাই ইণ্ডিয়ানছে দেলহি কেপিটেলছ্‌ জয়ৰ বাবে ১৬৩ ৰাণৰ লক্ষ্য বান্ধি দিছে। খেলখনত টছত জিকি দেলহি কেপিটেলছে প্ৰথমে মুম্বাই ইণ্ডিয়ানছক বেটিং কৰিবলৈ আমন্ত্ৰণ জনায়। মুম্বাইৰ হৈ সূৰ্য কুমাৰ যাদৱে সৰ্বাধিক ৫১ ৰাণ সংগ্ৰহ কৰে।

ইপিনে আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত আজি হ'বলগীয়া আন এখন খেলত গুজৰাট টাইটানছ আৰু ৰাজস্থান ৰয়েলছ্‌ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

oooooooo

**সমাপ্ত**